# ভাস্কৰ

## অলকেশ কলিতা

পাঞ্চজন্য



**BHASKAR**
A series of poems written by Alakesh Kalita
& published by ***Panchajanya Books,*** Bamunimaidan, Guwahati- 781021 and Printed at **Panchajanya Print & Publications,** Bamunimaidan, Guwahati- 781021.
First Edition : November, 2012.
Second Edition : December, 2024
Price : 150 /-

ISBN : 978-93-48568-02-1

**প্ৰকাশক ঃ পাঞ্চজন্য বুক্‌ছ**
ঔদ্যোগিক পাম, বামুণীমৈদাম, গুৱাহাটী- ২১
দূৰভাষ ঃ ৯৮৬৪২-০১১০৩

© ঃ কবি

**প্ৰথম প্ৰকাশ ঃ** ডিচেম্বৰ, ২০১২
**দ্বিতীয় প্ৰকাশ ঃ** ডিচেম্বৰ, ২০২৪

**বেটুপাত ঃ** মনজিৎ ৰাজখোৱা

**মূল্য ঃ** ১৫০.০০ টকা

**মূদ্ৰক ঃ**
পাঞ্চজন্য প্ৰিণ্ট এণ্ড পাব্লিকেচনছ
বামুণীমৈদাম, গুৱাহাটী- ২১

**নীলমণি ফুকন ছাৰৰ চৰণ কমলত...**



## কৃতজ্ঞতা

শ্ৰদ্ধাস্পদ নীলমণি ফুকন,
অনুভৱ তুলসী, এম কামালউদ্দিন আহমেদ, বিজয় শংকৰ বৰ্মন,
ধীৰাজ কুমাৰ লহকৰ, মনজিৎ ৰাজখোৱা, বিৰিঞ্চি কুমাৰ দাস,
বন্ধুবৰ ধীমান, মৃদুল, মানস,
ৰিদিপ, হিমাংশু
আৰু
মা-দেউতা

ঈশ্বৰৰ সমুখত প্ৰথমতে আছিল
এটুকুৰা স্বয়ম্ভু শিল।
ঈশ্বৰে প্ৰথমে শিলেৰে কৰিলে এখন ছুৰী ঃ
শিলৰ প্ৰথম দুৰ্যোগ।
তাৰ পাছত সেইখনেৰে শিলতেই নানা ফুল, পাত, পখিলা
কাটি ফুৰিলে ঃ প্ৰথম আনন্দলোতক।
তেতিয়াৰেপৰা আন কোনো এজনৰ মনোজগতক
শিলে বুজিবলৈ ল'লে, তেনেকৈ জন্ম হ'ল ভাস্কৰৰ।

# কবিৰ একাষাৰ

মোৰ প্ৰথমখন কাব্যপুথি “ভাস্কৰ” পাঠকৰ হাতত তুলি দিবলৈ ওলাই উৎসাহ আৰু ভয়-শংকাৰে সানমিহলি কিছুমান ঢৌৰ খুন্দা-খুন্দলিত পৰিছো। “ভাস্কৰ” মোৰ এক কৌতুহলী প্ৰচেষ্টাহে, সচেতনতা নহয় কিজানি। অথচ কাক জানিবৰ কৌতুহল, কি জানিবৰ কৌতুহল নিজেই যেন নাজানো। জানোচা কবিতাকে বুজি উঠো, অথবা নিজক, হয়তোবা মানুহৰ সৃজনশীলতাৰ ৰহস্যক। কিমানখিনি সচেতন হ'লে চৌবিশটা অংশ থকা এটা দীঘল কবিতাৰ বাবে নিজকে প্ৰস্তুত বুলি ভাবিব পাৰি সেইখিনি জ্ঞানো মোৰ নাছিল। অসংযত এটা সপোনৰ দৰে দৃশ্যৰ পাছত দৃশ্য কবিতাটো মোৰ অবচেতনলৈ আহিছিল আৰু মোক দাবী কৰি লৈছিল। কবিতাই সদায় মোক এনেকৈয়ে আকৃষ্ট কৰি আহিছে। আচলতে কোননো বেছি অসংযত, কবিতানে মই, সিও মোৰ কৌতুহল। কবিতাৰ মাজেৰে হয়তো মানুহে নিজেই নিজকে মমতা যাচে, সিও হ'ব পাৰে। মোৰ প্ৰচেষ্টা অত্যন্ত অনুশীলনৰ পৰ্যায়ৰ আৰু মোৰ মূৰৰ ওপৰত এতিয়া মোৰ নিজৰ হাত দুখনেই নাই। কিয়নো অনুশীলনীৰ ঠাই আচলতে টোকাবহীহে আৰু “ভাস্কৰ” ওলাওক বুলি মোৰ উৎসাহখিনিৰ কোনো যুক্তিযুক্ততা মই দেখুৱাব নোৱাৰিম। তথাপি কবিতা পাঠকৰ সম্পত্তি আৰু পাঠকৰ হৈ নিৰ্ণয় লোৱাৰ অধিকাৰ মোৰ নাই।

এইখন পুথিৰেই মহিমামণ্ডিত অসমীয়া কবিতাৰ বাকৰিত খোজ থ'ব খুজিছো, সবাৰে আশীৰ্বাদৰ প্ৰাৰ্থী হৈ ৰ'লো। নৰৰূপী নাৰায়ণ পাঠকৰ ওচৰত নতমস্তক হৈ কৃপা ভিক্ষা মাগিলো।

অলকেশ কলিতা
পিয়লি ফুকন নগৰ, গুৱাহাটী-৭৮১০২১
ডিচেম্বৰ, ২০১২

## ভাস্কৰ-১

মায়াবী দৃষ্টিৰে মই আভঁজা শিলটোৰ বাবে ভাস্কৰ।
চালোঁ চিন্তিলো, একোতে নপৰে, কেনে দুৰ্ভগীয়া শিল।
মানুহৰ নিখুঁত ঈশ্বৰ শিলৰ আৰু অমানুহ শিলৰ।
আৰু কেতিয়াবা নিজেই শিল হৈ
বিভিন্ন সাগৰত ডুব যাওঁ।
কিন্তু আভঁজা শিল
তোমাক কোনেও চকুপানীৰে নোওঁৰা নাই?
আহা
তোমাৰ দুৰ্ভাগ্যৰ বাবেই হওক
অথবা মানুহৰ দুৰ্ভাগ্যৰ বাবেই হওক
তোমাৰ গাত চকুপানী ঢালোঁ!



কিন্তু সৃষ্টিৰ আটাইতকৈ বিকৃত শিলটো
এটা গোলক নে কি?
তেন্তে আহা জোনটোৰে
তাইৰ স্তনলৈ মনত পেলাই দিয়াৰ বাবে
তোমাৰ গাত চকুপানী ঢালোঁ।
নে আটাইতকৈ বিকৃত শিলটো হ'লহেঁতেন
যেতিয়া দুখনি ওঁঠ, দুটা পাহি চকু
আৰু এটা তিলফুলীয়া নাক
খোদাই কৰি দিয়া হ'লহেঁতেন?
তুমিতো জানাই মানুহ কিমান দুৰ্ভগীয়া।
মোৰ ড্ৰয়িংৰুমত থাকিবা নে শিল
মই যদি তোমাক ৰাং কুকুৰৰ
দাঁতৰ দৰে জোঙা হোৱাটো বিচাৰোঁ?

## ভাস্কৰ-২

মোৰ প্ৰথম পৰিচয়ত তোমাক কওঁ শুনা শিল
মোৰ চকুপানীত তিতিছা মানে তুমি
শৰতৰ চকুপানীত তিতিছা।
ৰামতকৈও আগতে মইহে
অহল্যাক আদৰেৰে স্পৰ্শ কৰিছিলো।
মই প্ৰথমতে তোমাক শিকাব লাগিব শিল
যে মানুহ আৰু মানুহৰ অসাধাৰণ শোকক
তুমি অৱজ্ঞা নকৰিবা
পৃথিৱীৰ আটাইবোৰ খোদিত শিলে
অনুভৱ কৰিবপৰা একমাত্ৰ কথাটো হ'ল
মানুহৰ শোক।

কোনোকালে মানুহক নিচিনা কেতবোৰ ৰাং কুকুৰৰ দাঁতে
যি শোক অনুভৱ কৰিব নোৱাৰে।
সেইকাৰণে তোমাক বোটলা আৰু শেৱালি ফুল বোটলাৰ মাজত
কোনো পাৰ্থক্য নাই শিল।
কিন্তু তোমাক ক্ষুৰধাৰ এটি জোং কৰি তোলাটোৱেই
মোৰ প্ৰথম সিদ্ধান্ত।



কাৰণ আন একোৱেই যে আজিলৈ মোৰ বুকুত
সোমাই নৰ'ল।
ভয় নাখাবা যেতিয়া তাৰ বাবে তোমাক স্পৰ্শ কৰোঁ
তোমাৰ বাবে মই ধাৰলৈ লৈছো
শ্ৰীকৃষ্ণৰ বাঁহী বজোৱা আঙুলিবোৰ।

## ভাস্কৰ-৩

মই ধাৰে অনা শ্ৰীকৃষ্ণৰ বাঁহী বজোৱা আঙুলিবোৰৰ এটি
বতাহ আৰু শুকুলা মেঘৰ চপৰা।
তাৰে মই স্পৰ্শ কৰিম তোমাৰ
নাৰীৰ জুটুলা চুলি যেন অংশটোক
আভঁজা শিল।
আন এটা আঙুলি হ'ল পৃথিৱীৰ যত চব ফাঁকি।
তাৰে মই স্পৰ্শ কৰিম তোমাৰ সকলো জল্পনা কল্পনা।
আন এটা আঙুলি হ'ল পৃথিৱীৰ নিঃকিনতম আত্মপৰিচয়।
তাৰে তোমাৰ আত্মাৰ লাজ অপমানৰ
ন পুৰণি দাগবোৰ খুমুটিয়াই থাকিম।
আৰু এটা আঙুলি আছে যিটোৰে তেওঁ
অৰ্জুনক তেওঁৰ কৰ্তব্য আঙুলিয়াই দিছিল
আৰু সুদৰ্শন চক্ৰটোক পাহৰি থাকিবলৈ চেষ্টা কৰিছিল।
সেইটোৰে মই তোমাৰ কাল চেতনাক জাগ্ৰত কৰিম।



আৰু তেওঁৰ বুঢ়া আঙুলিটো,
সেইটো কাৰেই বা তেজত ডুবি থকা নাই।
সেইটোৰে মই তোমাৰ কপালখন চুম।
আৰু তেওঁৰ অগণিত অদৃশ্য আঙুলিৰে
মই তোমাৰ আৰু তোমাৰ ভাগ্যৰ অগণিত ত্ৰুটি-বিচ্যুতিক চুম।
কিন্তু তোমাৰ হৃদপিণ্ডটি স্পৰ্শ কৰোতে
তোমাৰ ব্যথা মমতাক স্পৰ্শ কৰোতে
সেইবোৰ যদি আটাইবোৰ মোৰ নিজৰেই আঙুলি হয়
তুমি মোক বেয়া পাবা নে কি অ' আভঁজা শিল?

## ভাস্কৰ-৪

কিন্তু মোৰ খং আৰু বেগক তোমাক স্পৰ্শ কৰিবলৈ নিদিবা
অ' আভঁজা শিল।
সিহঁতে এই মাত্ৰ ধাৰণ কৰিলে প্ৰলয়ৰ অভীস্পা
যি মৰমেৰে মই তোমাক কাষলৈ মাতিছো
সেয়া মৰাশৰ হাতবাউলি
মোৰ হৃদয়ৰ মাটিৰ তলত যি অমংগল ৰটিছে।
এতিয়া প্ৰতিটোপাল চকুপানীয়েই
হিংসাৰ বলি।
মোৰ দুৰ্ভাগ্যৰপৰা তুমি
মোক উদ্ধাৰ কৰিব নোৱাৰা,
এয়া সকলোৰে দুৰ্ভাগ্য
আৰু তোমাকো কোনো ভাস্কৰে
উদ্ধাৰ কৰিব নোৱাৰিলেহেঁতেন
যদিহে তুমি হ'লাহেঁতেন মানুহ নামৰ শিল এটুকুৰা।



অ' আভঁজা শিল
তোমাক কোনেও তেজেৰে নোওঁৰা নাই?
আহা!
মোৰ চকুৰ আগত এক অবৰ্ণনীয় দৃশ্য ভাঁহি উঠিছে
সকলোকে সাৰধান কৰিবৰ বাবে
আহা তাৰে প্ৰতীক সাজোঁ।
তোমাক চকুৰ আগত লৈ কৰা
এনে কল্পনাৰ বাবে
এজন ভাস্কৰ হিচাপে তুমি মোক ক্ষমা কৰিব পাৰিবানে
অ' আভঁজা শিল?

## ভাস্কৰ-৫

তোমাক মই বাওঁহাতখনৰ পৰা সোঁহাতখনলৈ লৈছো
সোঁহাতখনৰপৰা বাওঁহাতখনলৈ
দুয়োটাই অসহ্যকৰ অ' আভঁজা শিল।
কেতিয়াবা বাওঁহাতখন নালাগে বুলি ছিগি পেলাইছো
কেতিয়াবা সোঁহাতখন নালাগে বুলি ছিগি পেলাইছো।
তুমি কেতিয়াবা হাঁহিছা
কেতিয়াবা কান্দিছা।
দুয়োটাই অসহ্যকৰ।
মই পাহৰি গৈছো মোৰ কোনখন হাতে তোমাক
জুইৰ মাজৰপৰা উলিয়াই আনিছিল
অথবা সাগৰৰ তলিৰপৰা বুটলি আনিছিল।
মই পাহৰি গৈছো মোৰ হৃদয়ৰ
সোঁফালৰ হিমস্তূপটোত তুমি ঠেৰেঙা লাগি আছিলা নে
বাওঁফালৰ মৰুভূমিৰ শুকান জাৰত।



মোৰ সোঁচকুটোৰে মই তোমাক
তাইৰ বাওঁস্তনটোৰ দৰে দেখিছো
বাওঁচকুটোৰে চাওঁতে তাইৰ
সোঁস্তনটোৰ দৰে দেখিছো।
দুয়োটিয়েই মোৰ দুখৰ নিমখীয়া জোন।
অ' আভঁজা শিল
অৱশেষত মই যদি তোমাক স্পৰ্শ নকৰোঁ
যদি তোমাৰ ত্ৰুটিৰ প্ৰেমত পৰোঁ
এজন ভাস্কৰ হিচাপে তুমি মোক ক্ষমা কৰিবানে?

## ভাস্কৰ-৬

মোৰ মঙহত কোনেও ছেনা মাৰিব নোৱাৰে।
প্ৰতিবাদ নকৰাকৈ মোৰ এক বিন্দুও ক্ষয় নহ'ব।
মই দুটুকুৰা নহ'ম
মই মোৰ আটাইতকৈ মৌলিক কণা।
মোৰ ত্ৰুটিপূৰ্ণ নাকটোকো কোনোবাই যদি পোনাই দিব খোজে
মোৰ সজ্ঞানে নোৱাৰিব।
কিন্তু মোক অজ্ঞান কৰি লৈ তেওঁলোকে মোৰ সপোনবোৰ
ভাঁজ দিছে আৰু পোনাইছে
ভাঁজ দিছে আৰু পোনাইছে।
সেইবোৰো মই ত্যাগ কৰিম, সেইটোকে কৰিব পাৰোঁ।



তেনেহ'লে কোনোবাই যদি হৃদয়ত প্ৰচণ্ড আঘাতো কৰে
এবখলা আৰু এৰাই নপৰিব।
কিন্তু তথাপি মই জানো যে মই দুৰ্ভগীয়া হৈয়েই থাকিম
মোক আদৰ কৰা, মোৰ দুৰ্ভাগ্যকো আদৰ কৰা।
কাৰণ সেয়া সকলোৰে দুৰ্ভাগ্য।
আমি পহৰা দিছো যেয়ে যি ভাঁজে আছো তাক তেনেদৰে।
কিন্তু চোৰা আঁভজা শিল
কিদৰে মই তোমাক ভাল নাপাও তিমান যিমান নিজক
পহৰা নিদিওঁ, তোমাৰ দুৰ্ভাগ্যকো আদৰ নকৰোঁ।
তুমি নিজকে ভাল নোপোৱানে
আঁভজা শিল? মোক তুমি অলপো
প্ৰতিবাদ নকৰা?

## ভাস্কৰ-৭

ফুল আৰু কাঁইট, চৰাই পখিলা আৰু এজন মালিৰে
আমাৰ এখন ফুলনি আছে।
অশোক ফুল ঃ ফুলনিখনৰ ৰঙা স্তন।
পোক পতংগৰ গান আৰু
মোৰ গোটেইটো দেহত আহৰিৰ নাৰী আঙুলি
স্মৃতিৰ গোটেইটো দেহ মই।
ভাবনাৰ গোটেইটো দেহ মই।
একোৱেই শিলৰ নহয়
আনকি শীৰ্ণকায় মালিজনৰ নলে গলে লগা কাঁইটবোৰো।

শিলৰ বুলিবলৈ
মাথোঁ চৰাইবোৰে আহি পিয়াহৰ পানী খোৱা
এটা ফুলকটা পানীৰ পাত্ৰ আছে।
পিয়াহলগা চৰাইবোৰৰ কাষলৈ হাঁয়
সি উৰি যাব নোৱাৰে।
কিন্তু আঁভজা শিল
মই তোমাক দুখন পাখি দিম।
চৰাই আৰু পখিলাবোৰৰ সতে মোৰ ফুলনিত
তুমি উৰি ফুৰিব পাৰিবানে
এই ধুনীয়া দৃশ্যটিৰ
এজন ৰখীয়া দেৱদূতৰ দৰে?

## ভাস্কৰ-৮

তোমাক মই কোমল ঘাঁহৰ সেউজীয়া মৰ্য্যাদা দিম
তুমি মোক কাঁচিৰ ৰেপ্ বুলি ল'বানে
অ' আভঁজা শিল?
এদিনাখনৰ কথা যদি মই তোমাক কওঁ
যিদিনাখন মোৰ গালৰ চকুপানীৰ দাগবোৰ
মচি মচি শেষ কৰিবপৰা নগৈছিল?
ওঁহো কাৰো মৃত্যু হোৱা নাছিল
প্ৰাণবন্ধুৰ অথবা প্ৰাণ ডকাইতৰ কাৰো।
তথাপি সেই দুখৰ কেতিয়াবা জানো ওৰ পৰিব ঃ
মই পাৰ নাপাওঁ।



সেইদিনা তাইৰ গাৰ আটাইতকৈ ধুনীয়া
ভাঁজটো কাটি অঁতাইছিলোঁ।
তাইৰ আব্দাৰৰ আমনিৰ বান্ধ
সোনকালে তাই মোকলাই দিছিল।
পিষ্টলটো লগত নোলোৱাকৈ ওলাই গৈছিলো।
সেইদিনা দোকানৰ বাকী মাৰিছিলো
আপেলটো দেখি ভোল গৈছিলো আৰু
ডাঙৰ গ্ল'ব এটা কিনিছিলো।
সেইদিনাই মোৰ এক ভয়ানক প্ৰাৰ্থনাৰ ওৰ পৰিছিল
আৰু মোৰ সকলো মূৰ্খালিৰো ওৰ পৰিব লাগিছিল
এজন ভাস্কৰ হিচাপে।
কাৰণ সেই দিনটোতেই মই গম নোপোৱাকৈ
শিলচটাৰ ভিতৰত তাই ওপজিছিল।

সেইদিনা মই দেখিছিলো সচাঁকে এছাটি তেজৰ বৰষুণ নামিছে
ৰঙা লুণীয়া তেজৰ বৰষুণ
মানুহৰ কেঁচা তেজতকৈও উষ্ণ
জোঁৰাৰৰ দৰে উতলা
মোৰ হাঁতুৰীটোতকৈও বেছি অনুভূতিপ্ৰৱণ।
সেইদিনা মই গৈ দেখিলো
তাই সঁচাকে মোৰ বাবে অধীৰ, উতলা, আতুৰ, কামুক
অথচ তাই অলৰ অচৰ শিল
হাঁয় তাই লৰচৰ কৰিব নোৱাৰিছিল।
তোমাৰ লগত তেনেকুৰা কিবা এটা হ'লে
মোক কেতিয়াও ক্ষমা নকৰিবা
মোক কেতিয়াও ক্ষমা নকৰিবা।



## ভাস্কৰ-৯

তোমাৰ লগতো যদি তেনেকুৰা কিবা এটা হয়
তুমি এটা টিয়েৰ গেছৰ শ্বে'লৰ দৰে হ'বা।
আটাইতকৈ ধুনীয়া মৰা কেঁচুৰাটোৰ দৰে হ'বা।
কাৰণ তেওঁলোকে মোক নুবুজে
কাকো বুজাৰ যেন কাৰবাৰ নাই।
তুমি হৈ পৰিবা নিজৰ চকুৰ আগতে নিজৰে অবৰ্ণনীয় মৃত্যুৰ দৰে।
অথবা হ'বা প্ৰতিজন ভাৰতীয়ৰ দৰে এটা ঋণাত্মক সংখ্যা।
কাৰণ তেওঁলোকে আন একো নুবুজে।
আৰু তেওঁলোকে যেতিয়া নুবুজিব তোমাৰ নিয়তি দুৰ্ভাগ্যজনক
তেওঁলোকক ক'বা যিমান পাষাণ হ'লেও তেওঁলোকৰ উদ্ধাৰ নাই
কোনো পগলা ভাস্কৰৰ হাততেই।

কাৰণ তেওঁলোক যে মানুহ।
তুমি মাত্ৰ শূন্যটোৰ দৰে নহ'বা
তেওঁলোকে একৰ পিঠিত লগাবলৈ তোমাক চুৰ কৰি নিব।
অথবা হ'বা একো নাই

তেওঁলোকে তোমাক নিজৰ বিষ্ঠাৰ দৰে আপোন জ্ঞান কৰিব।
তুমি এনেকুৱা এখন ৰুমাল হ'বা যিখনেৰে মুখ মচিলে
তেওঁলোকৰ আচল চেহেৰাবোৰ ওলাই পৰে।
তুমি হ'বা দেহৰক্ষীজনৰ সেই প্ৰেমিকাগৰাকী
যাৰ কথা ভাবি ভাবি তেওঁ কৰ্তব্যত গাফিলতি কৰিব।
কিন্তু তুমি এটা দূৰৈৰ তৰা কেতিয়াও নহ'বা
তেওঁলোকে সেইটোৰেই বিচাৰে।
কিন্তু এইচবৰপৰা মই তোমাক
কেতিয়া আহৰি দিম?



## ভাস্কৰ-১০

চোৰৰ তেজ হৈ তুমি ধৰ্মযাজকৰ সিৰাত সোমাবা
ধৰ্মযাজকৰ তেজ হৈ আন এজন চোৰৰ
যাক কোনেও চোৰ বুলি জনা নাই।
পৃথিৱীখন যেতিয়া তল যাব খুজিব
তুমি নীলা মাছটো হ'বা।
তুমি হ'বা সাগৰ, পৰ্বত, সূৰ্য্য, শস্য
ঠিক কৃষ্ণই মুখত লোৱা মাটি চপৰাৰ মান।
আমিবোৰ যেতিয়া শিল হ'ম তুমি তেতিয়া মানুহ হ'বা।
মই যেতিয়া মৰিম তুমি হৈ পৰিবা এটি অনাথ শিশু।

বিদ্ৰোহীজন বন্দী হোৱাৰ লগে লগে
তুমি তেওঁক ত্যাগ কৰিবা
বিচাৰি যাবা আন এজন বিদ্ৰোহীক।
হ'বা এজন অন্ধই ঘূৰাই পোৱা পোহৰ আৰু দীঘলীয়া বাট।
হৈ পৰিবা সমুচিত পুৰস্কাৰ
সবাটোকৈ ন্যায়সংগত শাস্তি।

তুমি উজ্জ্বল সোণৰ চেঁকুৰাবোৰ ত্যাগ কৰিবা
সিহঁত হৈ পৰক কালিমা, কয়লাৰ দৰে ক'লা।
তেওঁলোকে যদি সৎ কাম কৰে তুমি হ'বা তেওঁলোকৰ ঘাম।
প্ৰেমিক হালে যেতিয়া ঘাঁহনিত ইটিয়ে সিটিয়ে লিপিট খায়
তেতিয়া তুমি খাজুৰাহোৰ একমাত্ৰ নকটা শিলচটা হৈ
পুনৰ মোৰ কাষলৈ আহিবা
অ' আভঁজা শিল।



## ভাস্কৰ-১১

তোমাৰ গাত
এজন ভাল পুলিচ অফিছাৰ হোৱাৰ লক্ষণ আছিল।
তুমি ধৰা পেলাইছিলা যে এগৰাকী লুধুমী তিৰোতাৰ সতে
মই প্ৰায়েই অতি গোপনে যৌনাচাৰত লিপ্ত হওঁ।
তুমি মোক লৈ চিন্তিত
মোৰ লাইচেঞ্চ নোহোৱা পিষ্টলটোত তোমাৰ দুৰ্ঘোৰ আপত্তি।
তুমিও নাজানা কাৰ প্ৰতি তুমি আনুগত্য পুহি ৰাখিছা
এজন ভাল পুলিচ অফিছাৰৰ দৰে।
মোৰ সমান যদি তোমাৰ ব্যথা থাকিলহেঁতেন
তুমি হ'লাহেঁতেন এজন ভাল কবি।

তেনেহ'লে তুমি মোক হেৰুৱালাহেঁতেন
কবিৰ যি আপোন, তেওঁৰ আবেগিক আৰু হয়তো মানসিক
সুস্থিৰতা থাকেগৈ বুলি মোৰ বিশ্বাস নহয়।
তুমি কিজানি ভাল যৌনকৰ্মীও হ'লাহেঁতেন।

মই জানো মোৰ হাতত সৰ্বস্ব বিসৰ্জন দি পোৱা তৃপ্তিক
তুমি গোপন কৰিছা।
তোমাৰ কাপোৰ সাজ সোলোকাই তোমাৰ ৰত্নত হাত দিলে
তুমি চোৰ চোৰ বুলি নিচিঞৰা।
লাহে লাহে
তুমি হ'লাহেঁতেন এখন মৰুভূমি
মোৰ বুকুৰ তেজ আৰু চকুপানীয়ে তোমাক জীপ নিদিয়াহেঁতেন।
নহ'লে তুমি ভিক্ষাৰী হ'লাহেঁতেন।
তুমি আজিও ভাবা যে তোমাৰ যি ঐশ্বৰ্য্য নাই
সেয়া আমাৰ আছে।



কিন্তু আমাৰ দুৰ্ভাগ্যই যে
আমাৰ মৃতদেহতো মাখি হৈ পৰিব।
আৰু তোমাৰ গাত মই লক্ষণ দেখিছিলো দস্যু ৰত্নাকৰৰ।
এদিন বাল্মীকিৰ দৰে জিলিকি অসাধ্য সাধন কৰিব পাৰিবা
বুলি নভবাহেঁতেন
মইতো শিশুৰ সামান্য পুতলা এটিও ভালকৈ কাটিব নোৱাৰোঁ।
এনেও মই ভাবিছো যে মোৰ দ্বাৰা যদি তোমাৰ একো নহয়
এই সকলৰ দৰে মই তোমাক সময়ৰ হাতত গতাই দিম।
সময়ৰ মান ধৈৰ্য্যশীল ভাস্কৰ মইতো নহওঁ।

## ভাস্কৰ-১২

কিন্তু মোৰ ভোক লাগিলে মই শিল নাখাওঁ।
টোপনি লাগিলে শিলৰ গাৰুত নোসোওঁ।
উচুপিলে ভাবিব নোৱাৰোঁ যে কাষত থকাজন আচলতে পাষাণ।
টৌবোৰে শিলত মূৰ আফালি লয় পায়।
শিলৰ হ'লে পখিলাটো কিজানি ফুলৰপৰা সৰি পৰিলেহেঁতেন।
মানুহ পোৰা গোন্ধ পালে অৱশ্যে আশা কৰিম
নাকটো শিলৰ হৈ যাওক।



আমি যিমানেই চেষ্টা নকৰোঁ
কোনো শিলে কাৰো স্মৃতি চিৰযুগমীয়া কৰিব নোৱাৰে।
আহ্ সময়!
বালিঘড়ীটোৰ শিলৰ গুড়িবোৰকেই সময় বুলি কোনেনো ভাবিছে?
শিল তুমিনো কি?
যদিও শিল চেপি ৰস উলিয়াই কৰিছো
হৃদয়ৰ উপজীব্য।
নিজৰ আত্মমৰ্যাদা সম্পৰ্কে
সচেতন হ'বা শিল।

## ভাস্কৰ-১৩

কিন্তু মই যদি হতাশাগ্রস্ত হওঁ মই শিলকে চোবাম
হে পৰিম এটা শিলৰ কোৰেৰী।
মই যদি তোমাক লৈ সপোন দেখা বন্ধ কৰোঁ শিল
তোমাক লৈ সপোন দেখিব তেওঁলোকে।
তেওঁলোকে সপোনত দেখিব বালু, গিট্টী, ব'ল্ডাৰ।
তেওঁলোকে আচলতে ঘৰৰ সপোন দেখিছে
গাৰ্ডৰালৰ, ফ্লেটৰ, টাউনশ্বিপৰ, এম্যুজ্‌মেণ্ট পাৰ্কৰ সপোন দেখিছে।
তেওঁলোকে সৰু সৰু ল'ৰা-ছোৱালী
আৰু বৃদ্ধৰ সপোন দেখিছে।
তেওঁলোকে আশ্রয়, জিৰণি, স্বাধীনতাৰ সপোন দেখিছে।
তুমি দেখিছানে কেতিয়াবা, তেওঁলোকে কিদৰে
ওপৰা-ওপৰিকৈ সপোনৰ ভিৰ কৰে?
আনন্দ, আনন্দমনে শিল
কিন্তু সাৱধানে।



## ভাস্কৰ-১৪

উফ্ মোৰ যে কি হ'ব!
ক'ত দেখিছা এনে কথকি ভাস্কৰ?
মই কিজানি বৰ অদৰকাৰী আৰু
তোমাকো অদৰকাৰী কৰি পেলাম।
কিন্তু চোৱা মই যিদৰে তোমাৰ
মিহি কণিকা হোৱাটো ভাল পাওঁ
মইও আচলতে সাধুকথাৰ মিহি কণিকাৰে গঢ়া
এদিন এইবোৰেই ফিৰিঙতি হৈ উৰিব।
তুমি যিদৰে এদিন লয় পাই মাটি হ'বা
মই হ'ম একুৰা মাটিত মিলি যোৱা জুই।
মোৰ যুঁজ বাগৰ আৰু ভাগৰ
দুয়োটাৰে এই জুইতেই অন্ত পৰিব।

## ভাস্কৰ-১৫

## শিল-১

পৃথিৱীত কোনেও ক'তো
শিলৰ বিষয়ে কেতিয়াও একোৱেই নাজানিলে
আৰু শিলবোৰ গুড়ি হৈ গ'ল।
কোনো শিলেই আপচু নহয়
যেতিয়ালৈ মানুহৰ চকুত নপৰে, মানুহে চুই নাচায়।
ঈশ্বৰৰ সমুখত প্ৰথমতে আছিল
এটুকুৰা স্বয়ম্ভু শিল।
ঈশ্বৰে প্ৰথমে শিলেৰে কৰিলে এখন ছুৰী ঃ
শিলৰ প্ৰথম দুৰ্যোগ।
তাৰ পাছত সেইখনেৰে শিলতেই নানা ফুল, পাত, পখিলা
কাটি ফুৰিলে ঃ প্ৰথম আনন্দলোতক।
তেতিয়াৰেপৰা আন কোনো এজনৰ মনোজগতক
শিলে বুজিবলৈ ল'লে, তেনেকৈ জন্ম হ'ল ভাস্কৰৰ।



প্ৰাণৰ ধাৰণাটো চলতি হ'ল কাৰণ শিলৰ প্ৰাণ আছিল।
ঈশ্বৰে যেতিয়া শিলক আলিংগন কৰিলে
তেতিয়া সৃষ্টি হ'ল সাগৰ আৰু তাৰ ঢৌবোৰৰ।
তাৰ পাছত শিলৰ স্বাভিমানেৰে হ'ল পৰ্বত
লাজ আৰু প্ৰেমেৰে হ'ল সেউজীয়া পাহাৰ গছ-গছনি।
ঈশ্বৰে শিলৰ বাবেই আকাশৰ কথা ভাবিছিল
বিভিন্ন তপত চেঁচা শিলাখণ্ডৰ বাবে।
নিঃসংগ বিষন্ন এই শিলাখণ্ডবোৰে আকাশখন
নীলা, গভীৰ নীলা কৰি পেলালে।
তেনেকুৱা আৰু বহুত কিবাকিবি ইয়াত লিখা আছে
শিলৰ বাইবেলৰ প্ৰথম পৃষ্ঠাত। তুমি শুনি আছানে মৰমৰ ভাস্কৰ
মই কিন্তু হ'লো এজন নাস্তিক।

## ভাস্কৰ-১৬

## শিল-২

মানুহেই ঈশ্বৰৰ যৎকিঞ্চিৎ আকাংক্ষা।
পৃথিৱীৰ বাকী সকলো আকাংক্ষা মানুহৰ নিজৰ।
কিন্তু সকলো আকাংক্ষা পৰিহাৰ কৰিও
মানুহ শিল হ'ব নোৱাৰে
যিদৰে আকাংক্ষাই দুৰ্মদ কৰি তোলা
মানুহকো শিল বুলি ক'ব নোৱাৰি।
তথাপি মানুহ আৰু শিলৰ মাজৰ সম্পৰ্ক অৱশ্যম্ভাৱী
কিয়নো মানুহৰ দৰ্শনৰ দৰে শিলৰ দৰ্শনো
মানৱকেন্দ্ৰিকতাৰপৰা মুক্ত নহয়।
আৰু যিহেতু শিলত কটা প্ৰথম নাৰীমূৰ্ত্তিটোৰেই
শিলৰো ভগৱতী স্বৰূপা।

সেইকাৰণে মানুহৰ কেতিয়াও শিলৰ নখ নগজিল
দুৰ্বল স্বাভিমানৰ মানুহে আন শিলেৰে আত্মৰক্ষা কৰিলে।
এদিন পৃথিৱীৰ প্ৰতিজন মানুহ ইজনে সিজনৰ শত্ৰু হৈ উঠিব
আৰু শিলেৰে ইজনে সিজনৰ লাওখোলা ভাঙিব।
এদিন সকলো শিলেই মানুহৰ তেজত ওপঙি উঠিব।
কাৰণ মানুহৰ প্ৰথম অস্ত্ৰপাত আছিল শিলৰ।
এনেবোৰ ভাবি ভাল নলগা কথা লিখা আছে এই
শিলৰ বামাণয় শাস্ত্ৰত, মই ভুলতে পঢ়িলো
ইমান মন দি নুশুনিবা ভাস্কৰ
শেষৰফালে এইখন বৰ ভয়লগা।

## ভাস্কৰ-১৭
## শিল-৩

শুনা প্ৰথমতে মই তোমাক সমস্ত
শিলাময়তাতেই অবিশ্বাস কৰিবলৈ ক'ম।
মই তোমাক বিশ্বাস কৰিবলৈ ক'ম
যে শিলবোৰো আচলতে শিল নহয়।
শিলে শেলুৰৈ, আঁহতৰ পুলি,
নিজৰাৰ পানী আৰু মানুহক ভাল পায়।
হয় আপাত দৃষ্টিত মানুহবোৰ শিল হৈ গৈ আছে
আৰু শিলবোৰ মানুহ হোৱা নাই।
তথাপি শেষ কথা হিচাপে শিলে জনা কথাটো হ'ল
মানৱতাৰ জয়।



প্ৰাচীন শিলনিখনৰ নিৰ্জনতাত মানুহ আৰু শিলে
সাৰটা সাৰটি কৰি থকা নাই নে?
লালটি লগা ওঁঠেৰে কেঁচুৱা এটাই
মোৰ শিলৰ স্তনটি চুপিলে মই কি তাৰ মাতৃ নহ'ম?
তোমাৰ মায়াময় স্পৰ্শই স্পৰ্শাতুৰ মোক
অনন্ত দিবা নিশা তৃপ্ত কৰাৰ পাছত
মই যদি তোমাৰ প্ৰেমত পৰিব নোৱাৰো
শিল হিচাপে তুমি জানো মোক ক্ষমা কৰিব পাৰিবা
অ' মৰমৰ ভাস্কৰ?

## ভাস্কৰ-১৮
## শিল-৪

জ্বলি পুৰি বাষ্প হৈ যোৱা এটা পপীয়া তৰাৰ দৰে
মানুহৰ কোনো মংগল আকাংক্ষাৰ নামত শেষ হ'ব পৰাহেঁতেন!
মই নাজানো এনে আকাংক্ষা আন শিলৰ আছে নে নাই।
মই কেৱল তোমাক বিশ্বাস কৰিছো ভাস্কৰ।
মোৰে এনেকুৱা এটুকুৰা শিল কৰি তোলা
যাক কোনেও কাৰো কপাললৈ মাৰি পঠিয়াব নোৱাৰে।
মোক এনেকুৱা এটুকুৰা শিল কৰি তোলা
যি এটোপাল চকুপানীৰ স্পৰ্শতেই হৈ পৰে সাৰুৱা মাটি।
কিন্তু এটোপাল তেজ মোৰ গাত কেতিয়াও পৰিবলৈ নিদিবা।
মোক একুৰা কাহানিও নুনুমোৱা জুই নকৰিবা।
মোক কৰা একুৰা শীতল বগা জুই আৰু
প্ৰতিজন গৰ্ব্বিত বীৰ শ্বহীদৰ নামত মোক উছৰ্গা কৰা।
মোক তোমাৰ অময়া দেশত ৰাখা স্বাধীনতাৰ প্ৰতীক কৰি
তোমাৰ অমিয়া মাতেৰে মোক তিয়াই ৰাখা জীয়াই ৰাখা।



## ভাস্কৰ-১৯
## শিল-৫

তোমাতকৈও আগতে মোক এজন চিত্ৰকৰে দেখিছিল।
তেওঁ মোক আভঁজা বুলি ভবা নাছিল।
তেওঁৰ ছবিত মই এটি সুদৃশ্য ঈগল চৰাইৰ দৰে
আকাশত উৰি ফুৰিছিলো।
তোমাতকৈও আগতে মোক এজন সুৰকাৰে দেখিছিল।
তেওঁ কৰা সুৰবোৰে মানুহৰ হৃদয়ত খুন্দিয়ালে
ফিৰিঙতি ওলায়।
তোমাতকৈও আগতে মোক এজন কবিয়ে দেখিছিল
তেওঁ লিখা কথাবোৰ শিলৰ ৰেখাৰ দৰে সত্য।

তোমাতকৈও আগতে মোক এজোপা গছে দেখিছিল।
তাৰ শিপাবোৰে পৃথিৱীৰ যিকোনো শিলৰ হৃদপিণ্ডৰ
কোমল মঙহবোৰ চুই থাকিব পাৰে।
তোমাতকৈও আগতে মোক এজন ঔপন্যাসিকে দেখিছিল।
তেওঁ কাকোৱেই শিলৰ হ'বলৈ নিদিলে, শিলবোৰকো।
তোমাতকৈও আগতে মোক এজন শ্বট্‌পুট্ খেলুৱৈয়ে দেখিছিল
তেওঁ সমস্ত আত্মশক্তিৰে মোক সূৰ্য্যটোৰ পিনে দলিয়াই দিলে।
মই আহি পৰিলোঁ তোমাৰ অন্তৰৰ মজিয়াত।
মই কিন্তু তোমাক অগাধ বিশ্বাস কৰিছো ভাস্কৰ।



## ভাস্কৰ-২০
## নিচুকনি

এটা শিলৰ চক্‌লেট আছিল
দাঁত সৰা ল'ৰা ছোৱালীবোৰে
সেইটো খাবলৈ নাপাই কান্দি আছে
সেইবোৰ শিয়াল নহয় নহয় সোণটো।
ধনটি দাদাই আজি ঢেৰ শিলৰ পুঠিমাছ ধৰিছে
আইতাই চৰুত সেইবোৰ
ভাজিব পৰা নাই সিহঁতে ওফোণ্ড পাতিছে
আৰু মেকুৰীজনীয়ে পুঠিমাছকেইটাক ডবিয়াবলৈ আহিছে
তোমাক একো নকৰে নহয়।
কইনা খুৰীমাই তোমাৰ কাৰণে শিলৰ চোলা চিলাবলৈ
পানীৰ বেজি পোৱা নাই, সেইকাৰণে কান্দিছে
মাজুপিতাইৰো সেই কাৰণে খং উঠিছে
তেওঁলোকৰ কাষলৈ আজি নাযাবা দেই।

এজন শিলৰ মানুহে আজি পিতাইক
পৃথিৱীতনো কিমান শিলৰ মানুহ আছে
আজি ৰাতিয়েই হিচাপ কৰি অঁতাবলৈ কৈছে
পিতায়ে ঘৰলৈ কাম লৈ আহিছে নহয়
আজি পিতাইকো আমনি নকৰিবা দেই।
তোমাক মই ধুনীয়া সাধু এটা ক'ম আহা
এজনী ধুনীয়া শিলৰ কইনা আছিল
আৰু এক ভেকোলা কোঁৱৰ....



## ভাস্কৰ-২১
## এটি কবিতা

মই এজন ভাস্কৰৰ বিষয়ে এটি কবিতা।
নহয় মই এটুকুৰা শিলৰ বিষয়ে এটি কবিতা।
নহয় মই কেৱল এটা কবিতা নহয়
মই এচটা শিল আৰু এজন ভাস্কৰৰ প্ৰেম।
নহয় যুদ্ধ।
মুঠতে মই দবৰা-দবৰি জোঁটা-পোতি।
মোৰ গাত থকা তেজ আৰু চকুপানীৰ দাগ
চবেই দেখিছে।
কিন্তু কোনেও গম নোপোৱাকৈ মোৰ গাত আছে
ঘামৰ গোন্ধ।
বীৰ্যৰ মৃদু গোন্ধ।

শিল আৰু ভাস্কৰৰ বলিয়ালি আৰু বকনিবোৰৰ মাজত
মোক এটা কবিতা বুলি আপুনি ধৰিব পৰা নাই।
কিন্তু সেইবোৰ শুনি থকাৰ দায়িত্বও মোৰ নাছিল।
আপোনাৰ আছিল
কাৰণ গোটেইখন আচলতে আপোনাক লৈয়েই।
কিন্তু সেইবোৰ আছিল শ্লেষপূৰ্ণ, কেতিয়াবা বেদনাদায়ক
আৰু অত্যন্ত আমনি লগা।
কিন্তু সেইবোৰ আপুনি অলপ পাছতে পাহৰি যাব
কাৰণ বহুবেলিৰ পাছত আপুনি অলপ শান্তি পাইছে
শান্তি পাইছে কাৰণ মই মাথোন এটা কবিতা।
জয় আপোনাৰ শান্তিৰ জয়।



## ভাস্কৰ-২২
## এখন ছবি

ছবিখনৰ কাউৰীটো শিলৰ বুলি ধৰিব নোৱাৰি।
ছবিখনৰ একোৰেই শিলৰ বুলি ধৰিব নোৱাৰি।
কিন্তু ছবিৰ মানুহজনৰ উজ্জ্বল চকুদুটাৰপৰা
হালধীয়া পোহৰছাটিলৈকে সকলো শিলৰ।
ছবিখনৰ শিলচটা তেজ, ধোঁৱা আৰু উপলব্ধিৰ।
চিত্ৰকৰজনে ছবিখনৰ নাম দিছে "শিল বিদায়"।
তেওঁ ভাবিছে ছবিখন চাই দৰ্শকে যদি নিঃসংগতা অনুভৱ কৰে
তেনেহ'লে তেওঁ হ'ব গুণগতভাৱে এজন ভাস্কৰ।

# ভাস্কৰ-২৩
## এটি দুখৰ গীত

মই এটি দুখৰ গীত। সেইকাৰণে মোক কোনেও নাগায়।
প্ৰতিটো দুখৰ গীতৰ দৰে
মই নিজেই নিজকে গাম শুনক ঃ

এটি স্বয়ং সম্পূৰ্ণ শিল
এজন অজলা ভাস্কৰৰ হাতত টুকুৰা টুকুৰি হৈ গৈ আছে।

এজন আতুৰ ভাস্কৰ
পিয়াহত চুপিব পৰা এটি শিলৰ স্তন কাটিব নোৱাৰাৰ
হতাশাত ডুবি ডুবি গৈ আছে।



ভাস্কৰজনৰ চকুপানীত শিলটুকুৰা লাহে লাহে
পমি পমি গৈ আছে।

শিলটোৰ শিলৰ চকুটোৰপৰা এটোপাও চকুপানী
বৈ আহিব পৰা নাই।
ভাস্কৰজনৰ হাঁতুৰীৰ কোবত মাত্ৰ অকমান
শিলৰ গুড়ি সৰি পৰিছে।

দুয়োৰে হৃত গৌৰৱে
আদিম প্ৰেমিকৰ দৰে ওখৰো ওখ ঘাঁহনি বিচাৰি
আমাক এৰি পলাই গৈছে। সাপৰ দৰে।

শেষ পৰ্যন্ত ভাস্কৰজনে হেজাৰ
চেষ্টা কৰিও নিৰ্লিপ্ত হ'ব পৰা নাই।

বহু চেষ্টা কৰিও শিলটুকুৰা
পুনৰ শিল হৈ উঠিব পৰা নাই।
ভাস্কৰজনে কান্দিব খুজিছে
শিলটুকুৰাই মানা কৰিছে।

ভাস্কৰজনে শিলটুকুৰাক কান্দিবলৈ কৈছে
শিলটুকুৰাই পৰা নাই।

বাকীখিনি মই নাগালেও আপুনি শুনিব
বাকীখিনি শিলাময় নীৰৱতা।



## ভাস্কৰ-২৪
## এক শিলৰ ভাস্কৰ্য

মই শিল আছিলো
আস্ এতিয়া নহয়।
মই এটি হৃদপিণ্ড
উস্ এজন কবিৰ হৃদপিণ্ড।
এজন মৰুভূমিৰ দৰে কবিৰ।
এজন পৰ্বত আৰু গাধৰ দৰে কবিৰ।
দুৰন্ত ঘোঁৰাৰ তেজকিটোপাৰ দৰে
এজন আবেগসৰ্বস্ব কবিৰ।

এজন প্ৰেমসৰ্বস্ব জধলা কবিৰ।
কিন্তু মই এটুকুৰা শিল আছিলো
আহ্ এটুকুৰা শিল আছিলো।
এজন উচ্চাকাংক্ষী ভাস্কৰে
মোৰ অক্ষমতাৰ পোতক তুলিলে এনেদৰে
এজন অক্ষম ভাস্কৰে মোৰ
উচ্চাকাংক্ষাৰ পোতক তুলিলে এনেদৰে ঃ
মোক কৰিলে কবিৰ হৃদয়।
মোক মাথোঁ তেজে পোৰে আন একো নাই।

আৰু চিগাৰেটৰ ধোঁৱাই ডিঙিত সোপা মাৰে।
মই জানো মোৰ পয়ালগা অৱস্থা কৰিব
কবিৰ দুৰ্দিনে।



আৰু মই আশা কৰিছো
তেওঁ গোপনে হ'লেও মোৰ বাবে
এটা বুলেটৰ যোগাৰ কৰক।